**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-12-2024 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

ৰাজ্যৰ সামগ্ৰিক বিকাশ আৰু জনসাধাৰণৰ জীৱনৰ মান উন্নীত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে যোৱা ১১ ডিচেম্বৰৰ পৰা গ্ৰহণ কৰা বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অধীনত আজিও কেইবাখনো জিলাত আঁচনিৰ সুবিধা প্ৰদান কৰা হ'ব। এই উপলক্ষে আজি ধেমাজি জিলাৰ কাছাৰী মৈদানত আয়োজিত অনুষ্ঠানত মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰিব। অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত ধেমাজি জিলাত তৃতীয় বৰ্গৰ ৪ হাজাৰ ৫০০ অধিক ঋণীলৈ ঋণমুক্তিৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। চৰাইদেউ জিলাৰ ভগৱতী প্ৰসাদ বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী বিমল বৰাই অংশ ল'ব। এই কাৰ্যসূচীত জিলাখনৰ ৭৬৯ গৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত স্কুটি, চাইকেল আৰু নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

oooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভূটানৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। চাৰিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে কালি থিম্ফুত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দেশখনৰ ৰাজধানীত অনুষ্ঠিত এডভাণ্টেজ আছামৰ ৰোড শ্ব'ত অংশ লৈ ভূটানৰ প্ৰধানমন্ত্ৰী দাছ' শ্বেৰিং টবগে আৰু অন্যান বিশিষ্ট ব্যক্তিসকলক এডভাণ্টেজ আছাম সন্মিলন ২০২৫ৰ বাবে আমন্ত্ৰণ জনায়। উল্লেখযোগ্য যে থিম্ফু বিমান বন্দৰত কালি মুখ্যমন্ত্ৰীগৰাকীক ভূটানৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী লিয়নপো ডি এন ধুংগিয়েলে আদৰণি জনায়। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফুলৈ প্ৰস্তাৱিত ৰে'ল পথ নিৰ্মাণ সম্পৰ্কেও দেশখনৰ নেতৃবৰ্গৰ সৈতে আলোচনা কৰাৰ লগতে অসম তথা ভাৰতৰ সৈতে ভূটানৰ সম্পৰ্ক উন্নত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে দেশখনৰ ৰজা আৰু প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে আলোচনাত মিলিত হোৱাৰ কথা। এই ভ্ৰমণে প্ৰতিবেশী ৰাষ্ট্ৰখনৰ সৈতে অসমৰ বন্ধুত্বৰ এনাজৰী কটকটীয়া কৰি তুলিব বুলি আশা কৰা হৈছে।

oooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কালি বিদেশী শিক্ষাৰ্থী থাকিব পৰাকৈ উন্নত সা-সুবিধাযুক্ত এটা আন্তঃৰাষ্ট্ৰীয় ছাত্ৰাৱাস উদ্বোধন কৰা হয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য প্ৰাধ্যাপক জিতেন হাজৰিকাই ৪৮ গৰাকী শিক্ষাৰ্থী থাকিব পৰা এই ছাত্ৰাৱাসটো উদ্বোধন কৰে। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱাল বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় পৰিক্ৰমা কাৰ্যালয়ৰ সঞ্চালক প্ৰাধ্যাপক সুৰজিৎ বৰকটকীকে ধৰি ভালেকেইগৰাকী বিষয়া তথা শিক্ষাৰ্থী উপস্থিত থাকে। বিদেশী ছাত্ৰ-ছাত্ৰীৰ আগমনৰ ক্ৰমবৰ্ধিত হাৰক ইতিবাচক লক্ষণ হিচাপে

আখ্যা দি উপাচাৰ্যগৰাকীয়ে অদূৰ ভৱিষ্যতে উচ্চ শিক্ষাৰ আন্তঃৰাষ্ট্ৰীয়কৰণৰ যোগেদি বিশ্ববিদ্যালয়খনলৈ অধিক হাৰত বিদেশী ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিবলৈ যত্নপৰ হ'ব বুলি উল্লেখ কৰে।

০০০০০০

যোৰহাটৰ অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উপ-পৰিদৰ্শক সীমান্ত শৰ্মাৰ উদ্যোগত আৰু জিলা আয়ুক্ত জয় শিৱানীৰ পৃষ্ঠপোষকতাত কালিৰে পৰা দহদিনীয়া কাৰ্যসূচীৰে ভোগদৈ নৈ পৰিষ্কাৰকৰণৰ অভিলাসী পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিভাগটোৰ প্ৰশিক্ষণপ্ৰাপ্ত এটা ৪০ জনীয়া দলে নদীৰ বালি তথা বোকাৰ লগত মিহলি হৈ থকা বিভিন্ন পলিথিন আৰু আৱৰ্জনা তুলি নৈখন পৰিষ্কাৰকৰণত নামি পৰিছে। জিলাখনৰ পূজাডুবি ঘাটত কালি যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে এই পদক্ষেপ আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত বিধায়কগৰাকীয়ে বিভাগটোৰ এই পদক্ষেপৰ শলাগ লোৱাৰ লগতে প্ৰয়োজন অনুসৰি সহায়ৰ হাত আগবঢ়োৱাৰো প্ৰতিশ্ৰুতি দিয়ে। উল্লেখযোগ্য যে আহোমৰ ৰাজধানী ১৭৯৪ চনত যোৰহাটলৈ স্থানান্তৰ কৰাৰ পাছত মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ পৰিকল্পনা অনুসৰি নগা পাহাৰৰ ওলোৱা নৈখন খান্দি যোৰহাট নগৰৰ মাজেৰে বোৱাই অনা হৈছিল।

০০০০০০

নগাঁও চহৰৰ নেহৰুৱালিত আজিৰে পৰা নগাঁও জিলা প্ৰসাশনৰ সহযোগত নগাঁও গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। বিশিষ্ট সাহিত্যিক অৰূপ কুমাৰ দত্তই এই গ্ৰন্থমেলা উদ্বোধন কৰিব। গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি কবি সন্মিলন, কুইজ প্ৰতিযোগিতা, শিশু অনুষ্ঠান আৰু **মহিম বৰাৰ শ্ৰষ্টা আৰু সৃষ্টি** শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। ৰাজ্যৰ কেইবাটাও প্ৰকাশন গোষ্ঠীৰ লগতে বহিঃৰাজ্যৰ কেইবাটাও গোষ্ঠীয়ে এই গ্ৰন্থমেলাত অংশ ল'ব।

০০০০০০

দেৰগাঁও বিধানসভা সমষ্টিৰ ২২খন গাঁও পঞ্চায়ত আৰু এটা পৌৰ এলেকাৰ বিজয়ী খেলুৱৈসকলৰ উপস্থিতিত কালি দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। দেৰগাঁও সমষ্টিৰ বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালীয়ে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। উদ্বোধনী অনুষ্ঠানৰ পাছত ১৭ বছৰ উৰ্ধৰ ল'ৰা-ছোৱালীৰ এথলেটিকছ আৰু ২০ বছৰ অনুৰ্ধৰ ল'ৰা-ছোৱালীৰ কাবাদী প্ৰতিযোগিতা অনুষ্ঠিত হয়। অহা ২২ ডিচেম্বৰত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ  বিধানসভা পৰ্যায়ৰ প্ৰতিযোগিতা কালিৰে পৰা শিৱসাগৰ নগৰৰ দৰবাৰ খেলপথাৰত অনুষ্ঠিত হৈছে। প্ৰবীন ক্ৰীড়াবিদ  ভোগেশ্বৰ বৰুৱাই আনুষ্ঠানিকভাৱে এই প্ৰতিযোগিতা উদ্বোধন কৰে। শিৱসাগৰ বিধানসভা এলেকাৰ ২৭ খন গাঁও পঞ্চায়তৰ পৰা নিৰ্বাচিত তিনি হাজাৰ ৫০০ খেলুৱৈ এই বিধানসভা পৰ্যায়ৰ প্ৰতিযোগিতালৈ নিৰ্বাচিত হৈছে। প্ৰতিযোগিতাখনত এথলেটিক্স, ফুটবল, কাবাদী, চাইক্লিং, ডবাকে ধৰি কেইবাটাও খেল অনুষ্ঠিত হ'ব।

একেদৰে লখিমপুৰ জিলাৰ উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কালি বিধানসভা পৰ্যায়ত খেল মহাৰণৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। লখিমপুৰ বিধানসভা এলেকাৰ ১১ খন গাঁও পঞ্চায়ত আৰু পৌৰ সভা এলেকাৰ নিৰ্বাচিত এহেজাৰৰো অধিক খেলুৱৈয়ে প্ৰতিযোগিতাত অংগ্ৰহণ কৰে।

০০০০০০

সমাপ্ত